জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৮১/২০২২**

## গুৱাহাটীত অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যালয় তথা দক্ষতা উন্নয়ন প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাজ্যৰ আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত অইল ইণ্ডিয়া লিমিটেডে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ বামুণীমৈদামত অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যালয় তথা দক্ষতা উন্নয়ন প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰে।

উল্লেখ্য যে ৰাজ্য চৰকাৰে লিজ চুক্তিৰ জৰিয়তে ৰাজহুৱা খণ্ডৰ এই তৈল প্ৰতিষ্ঠানক দিয়া ৫ বিঘা ভূমিত ২০০ কোটি টকা ব্যয় সাপেক্ষে এই বহুমহলীয়া আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ব। এই প্ৰকল্পটোৱে অইল ইণ্ডিয়াৰ কাৰ্যালয়ৰ লগতে দক্ষতা বিকাশ প্ৰতিষ্ঠান হিচাপে দ্বৈত উদ্দেশ্য পূৰণ কৰিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই আন্তঃগাঁথনি সম্পূৰ্ণ হৈ উঠিলে অইল ইণ্ডিয়া লিমিটেডৰ ব্যৱসায়িক সম্প্ৰসাৰণৰ পৰিকল্পনাত সহায়ক হৈ উঠিব। তেওঁ লগতে কয় যে ৰাজহুৱা খণ্ডৰ এই প্ৰতিষ্ঠানটোৰ বৃহৎ সম্প্ৰসাৰণে প্ৰত্যক্ষ আৰু প্ৰৰোক্ষভাৱে অসমৰ অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পেলাব। আগন্তুক দিনত অসমৰ বিকাশত অইল ইণ্ডিয়া লিমিটেডে বৃহৎ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত অইল ইণ্ডিয়াই যথেষ্ট অৰিহণা যোগাই আহিছে। প্ৰত্যক্ষ বা প্ৰৰোক্ষ জীৱিকা প্ৰদান, ৰয়েল্টী প্ৰদান আৰু কৰ্প'ৰেটৰ সামাজিক দায়বদ্ধতাৰ দিশেৰে বিকাশমুখী কাৰ্যসূচী সমূহত প্ৰতিষ্ঠানটোৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

এই প্ৰকল্পটো নিৰ্মাণৰ বাবে লোৱা পদক্ষেপৰ বাবে অইল ইণ্ডিয়া লিমিটেডৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে দক্ষতা উন্নয়ন প্ৰতিষ্ঠানটোক কাম-কাজ যেতিয়া আৰম্ভ হ'ব তেতিয়া ৰাজ্যখনৰ যুৱ প্ৰজন্মক জড়িত কৰি মানৱ সম্পদ গঢ়াত এক বৃহৎ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দক্ষ ভাৰত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সপোনকো বাস্তৱায়িত কৰাৰ দিশত গুৰুত্বপূৰ্ণ অৰিহণা যোগাবলৈ সক্ষম হ'ব।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বাঘজানৰ তৈল ক্ষেত্ৰৰ অগ্নি নিৰ্বাপনৰ বাবে অইল ইণ্ডিয়া লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক সুশীল চন্দ্ৰ মিশ্ৰই লোৱা ভূমিকাকো প্ৰশংসা কৰে। ইয়াৰ জৰিয়তে অইল ইণ্ডিয়া লিমিটেডৰ অধ্যক্ষজনে দিয়া দক্ষতাপূৰ্ণ নেতৃত্বৰ বাবে বাঘজানৰ ঘটনা প্ৰশমিত হ'ল বুলিও তেওঁ কয়। জনসাধাৰণৰ লগতে অইল ইণ্ডিয়া লিমিটেডৰ ক্ষয় ক্ষতিৰ পৰিমাণ হ্ৰাস কৰি পৰিস্থিতি মোকাবিলা কৰাৰ দিশত অইল ইণ্ডিয়া লিমিটেডৰ অধ্যক্ষগৰাকীৰ কৃতিত্ব আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, অইল ইণ্ডিয়া লিমিটেডৰ সঞ্চালক (বিত্ত) হৰিশ মাধৱ, সঞ্চালক (অপাৰেচন) পংকজ কুমাৰ গোস্বামী, সঞ্চালক (এক্সপ্ল'ৰেচন) মানস কুমাৰ শৰ্মাও উপস্থিত থাকে।

সুঃদঃ / পুঃডেঃ
২২/০৬/২০২২